**2022/TDC (CBCS)/EVEN/SEM/**
**ASMDSE–601T/067**

**TDC (CBCS) Even Semester Exam., 2022**

# ASSAMESE

**( 6th Semester )**

Course No. : ASMDSE–601T

**( বিশেষ এক সাহিত্যৰ অধ্যয়ন )**

*Full Marks* : 70
*Pass Marks* : 28

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## SECTION—A

নব যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ লিখা : ২×১০=২০

১। মাধৱ কন্দলি কোন শতিকাৰ কবি? তেওঁ কোনজন ৰজাৰ ৰাজসভাৰ কবি আছিল?

২। "কবিৰাজ কন্দলি যে আমাকে সে বুলি কয়"—কথাষাৰ কোনে আৰু ৰামায়ণৰ কোনটো কাণ্ডত উল্লেখ কৰিছিল?

৩। মাধৱ কন্দলি ৰামায়ণৰ দ্বাৰা প্ৰভাৱিত দুগৰাকী কবিৰ নাম লিখা।

৪। 'গীতি ৰামায়ণ' আৰু 'কথা ৰামায়ণ'—এই গ্ৰন্থ দুখনৰ ৰচক দুজনৰ নাম লিখা।



https://www.assampapers.com



৫। অসমৰ জনজাতীয় ভাষাত ৰচিত এখন ৰামায়ণৰ নাম লিখা। ... ৰামায়ণখন কোন জনগোষ্ঠীৰ উল্লেখ কৰা।

৬। ছন্দ প্ৰয়োগৰ ক্ষেত্ৰত কন্দলিয়ে কি কি ছন্দ ব্যৱহাৰ কৰিছিল দুটা ছন্দৰ নাম উল্লেখ কৰা।

৭। 'শ্লোকানুবাদ' আৰু 'ভাবানুবাদ' শব্দ দুটাৰ অৰ্থ লিখা।

৮। দশৰথ ক'ৰ ৰজা আছিল? দশৰথৰ প্ৰথম পত্নীগৰাকীৰ নাম কি

৯। কুঁজী মন্থৰা কোন? তেওঁ কাৰ পটেশ্বৰী হোৱাৰ ক... কৰিছিল?

১০। আদি কবি কোন? তেওঁ কি ভাষাত ৰামায়ণ ৰচনা কৰিছিল?

১১। চিত্ৰকূট পৰ্বতত ৰাম-সীতাই দেখিবলৈ পোৱা দুবিধ পক্ষীৰ ... লিখা।

১২। কন্দলি ৰামায়ণত উল্লেখ থকা অসমীয়া সমাজৰ দুবিধ বাদ্যৰ নাম লিখা।

১৩। কুম্ভকৰ্ণ কোন আছিল? কুম্ভকৰ্ণই কিমান দিন শোৱে বুলি কোৱা হয়?

১৪। ৰাম-ৰাৱণৰ যুদ্ধৰ দুটা প্ৰধান বৈশিষ্ট্য লিখা।

১৫। "ৰামায়ণখন অনুবাদ কৰোঁতে কন্দলিয়ে দুটা কথালৈ সততে দৃষ্টি ৰাখিছিল"— সেই দুটা কথা কি কি আছিল?



https://www.assampapers.com

## SECTION—B

তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৫=৫০

১৬। প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ এটি পৰিচয় দিয়া।

১৭। মাধৱ কন্দলি ৰামায়ণৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

১৮। অসমত মাধৱ কন্দলিৰ ৰামায়ণৰ প্ৰভাৱ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

১৯। মাধৱ কন্দলি ৰামায়ণৰ সুন্দৰাকাণ্ডৰ কাহিনীভাগ লিখা।

২০। 'মাধৱ কন্দলি ৰামায়ণৰ ভাষা' শীৰ্ষক এটি টোকা লিখা।

২১। ৰামায়ণৰ অনুবাদৰ ক্ষেত্ৰত কন্দলিয়ে কেনেধৰণৰ ৰীতি অনুসৰণ কৰিছে, আলোচনা কৰা।

২২। ৰামৰ প্ৰাসাদৰ বৰ্ণনাৰ ক্ষেত্ৰত কন্দলিৰ মৌলিকতা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

২৩। ৰাম বনলৈ ওলোৱাত সীতাৰ প্ৰতিক্ৰিয়া মাধৱ কন্দলিয়ে কেনেদৰে বৰ্ণনা কৰিছে, লিখা।

২৪। কন্দলি ৰামায়ণৰ অযোধ্যাকাণ্ডত বৰ্ণিত চিত্ৰকূট বনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয়ে এটি টোকা লিখা।

২৫। 'কন্দলি ৰামায়ণৰ সামাজিক চিত্ৰ' শীৰ্ষক এটি আলোচনা আগবঢ়োৱা।

* * *



https://www.assampapers.com